# উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় সাংস্কৃতিক বৈচিত্ৰ্য

**Cultural Diversity of the Ethnic Groups in North East India**

A collection of selected research articles and research papers as academic cum research title edited by **Guptajit Pathak & Azizur Rahman Sarkar** and published by Ankit Publications, R-69, 3rd Floor, Model Town-III, Delhi-110009 (India) Ph: 09891553405, email: ankitpublications@gmail.com, Website : www.onlinerajpublications.com

[All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, mechanical or photocopying, recording and otherwise, without prior written permission of the editors and the publisher.]

---

**প্ৰকাশক** ঃ অংকিত পাব্লিকেশ্যনছ, নতুন দিল্লী

সম্পাদকদ্বয়ৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

**প্ৰথম প্ৰকাশ** ঃ এপ্ৰিল, ২০১৬

**প্ৰচ্ছদ** ঃ সঞ্জয় শীল

**আৰ্হিপাঠ** ঃ ভূপেন মহন্ত

**মূল্য** ঃ ৩৯৫.০০ টকা

**মুদ্ৰক** ঃ নতুন দিল্লী

**ISBN** : 978-93-81234-46-4

৭। তিৱা জনগোষ্ঠীৰ বস্ত্ৰ আৰু আ-অলংকাৰৰ কিছু কথা — ৭৫
**সীমা বৰা**

৮। মিচিং লোকগীত — ৮১
**মানসী গগৈ বৰুৱা**

৯। দক্ষিণ শালমৰা-মানকাচৰ অঞ্চলৰ 'উজে'নী' সমাজত প্ৰচলিত পৰম্পৰাগত বিয়াগীত — ৮৫
**মজিবৰ ৰহমান**

১০। টাইফাকে সমাজত নৱজাতকৰ নামকৰণ অনুষ্ঠান — ১১১
**নিভা গগৈ**

১১। খাম্‌তি জনগোষ্ঠীৰ 'পয়চাংকেন' উৎসৱ — ১১৫
**লখিমী নাথ**

# ৯

# দক্ষিণ শালমাৰা-মানকাচৰ অঞ্চলৰ 'উজে'নী' সমাজত প্ৰচলিত পৰম্পৰাগত বিয়াগীত

*মজিবুৰ ৰহমান*

**প্ৰস্তাৱনা ঃ**

'সাতভনী'ৰ দেশ বুলি পৰিচিত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বৰ-বায়েকজনীয়ে অসম। এই অসমৰে ধুবুৰী জিলাৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৱৰ্তী এটি মহকুমা হৈছে দক্ষিণ শালমাৰা-মানকাচৰ মহকুমা। মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ গাতে লাগি থকা এই মহকুমাটোৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশৰো অধিক মুছলমান। এই মহকুমাত বাস কৰা মুছলমান লোকসকলৰ এটা প্ৰধান ভাগ হৈছে 'উজে'নী' বা 'দেশী' মুছলমান। বিশেষকৈ অসমৰ অবিভক্ত গোৱালপাৰা জিলাত বাস কৰি অহা 'উজে'নী' মুছলমানসকলক ড° বাণীকান্ত কাকতি, উপেন্দ্ৰনাথ গোস্বামী, গোলোক গোস্বামী আদি প্ৰথিতযশা ভাষা গৱেষকে 'দেশী' বুলি কৈ তেওঁলোকে ব্যৱহাৰ কৰা ভাষাটোক



গোৱালপৰীয়া উপভাষাৰ অন্তৰ্গত 'দেশী' ভাষা বুলি মন্তব্য কৰিছে যদিও এই মুছলমানসকলে নিজকে 'উজে'নী' বুলিয়েই পৰিচয় দিয়ে আৰু নিজৰ ভাষাটোক 'উজে'নী' ভাষা বুলি কয়।

সি যি কি নহওক 'উজে'নী' লোকসকল অসমৰ অবিভক্ত গোৱালপাৰা জিলাত বাস কৰাৰ উপৰি মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাৰ অন্তৰ্গত টিক্ৰিকিল্লাৰ পৰা আৰম্ভ কৰি মহেন্দ্ৰগঞ্জলৈকে এই বিস্তৃত ভৈয়াম অঞ্চলতো বাস কৰি আছে। তদুপৰি মেঘালয়ৰ গাতে লাগি থকা বাবে দক্ষিণ শালমাৰা-মানকাচৰ মহকুমাৰ উজে'নী তথা মেঘালয়ৰ ভৈয়াম অঞ্চলত বাস কৰা উজে'নীসকলৰ সমাজ জীৱনৰ মাজত বিশেষ কোনো পাৰ্থক্য পৰিলক্ষিত নহয়।

উজে'নী লোক-সমাজত প্ৰচলিত এটি পৰম্পৰাগত বাধ্যতামূলক সামাজিক অনুষ্ঠান হৈছে বিবাহ। কিয়নো জন্ম, বিবাহ আৰু মৃত্যু— এই তিনিটা ঈশ্বৰৰ নিৰ্দেশত সংঘটিত হোৱা অৱধাৰিত সামাজিক পৰিঘটনা। তাৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয়, আমোদজনক তথা কাৰুণ্যৰে ভৰা এটি পৰম্পৰাগত সামাজিক অনুষ্ঠান হৈছে বিয়া। বিয়া বুলিলেই বিয়াৰ এদিন আগৰে পৰা শেষ হোৱাৰ এদিন পিছলৈকে উজে'নী 'গাঁৱৰ-চেংৰী-আয়তী'সকলৰ গীত-নাচৰ ছেওত গাত তত নাইকিয়া হয়। বিবাহ অনুষ্ঠানৰ বিভিন্ন ক্ৰমত 'গাবৰু-চৌৰী'[১]সকলে বিধে বিধে পৰিৱেশন কৰা গীতসমূহ সাংস্কৃতিক, সাহিত্যিক তথা সমাজতাত্ত্বিক দিশত যথেষ্ট গুৰুত্বপূৰ্ণ তথা কৌতূহলোদ্দীপক।

আমাৰ এই গৱেষণা-পত্ৰখনত দক্ষিণ শালমাৰা-মানকাচৰ অঞ্চলৰ 'উজে'নী' সমাজত প্ৰচলিত এই বৈশিষ্ট্যমূলক বিয়াগীতসমূহ আলোচনা কৰি বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।